M.L.C. LIBRARY
G.L. CHOUDHURY COLLEGE

**2024**

ASSAMESE

( Honours Core )

Paper : ASM–HC–4026

**( অসমীয়া ভাষাৰ সমাহৰণ : আৰ্যভাষা আৰু আৰ্য-ভিন্ন ভাষা )**

*Full Marks* : 80

*Time* : 3 hours

*The figures in the margin indicate full marks for the questions*

১। অতি চমুকৈ উত্তৰ দিয়া : ১×১০=১০

(ক) অসমীয়া ভাষাৰ জন্ম কামৰূপী প্ৰাকৃতৰ পৰা হোৱা বুলি মন্তব্য কৰা এগৰাকী ভাষাবিদৰ নাম লিখা।

(খ) ভাৰতীয় আৰ্যভাষাৰ সৈতে জড়িত 'আৰ্য' শব্দটোৰ অৰ্থ কি?

(গ) ভাৰতীয় আৰ্যভাষাৰ প্ৰাচীনতম সাহিত্যিক ৰূপটো ক'ত ৰক্ষিত হৈছে?

(ঘ) 'অসমীয়া ভাষাৰ মৌলিক বিচাৰ' গ্ৰন্থখনৰ ৰচক কোন?

(ঙ) অসমীয়া ভাষাৰ প্ৰাচীনতম নিদৰ্শন পোৱা 'নগাজৰী খনিকৰ গাঁৱৰ শিলালিপি' কোন শতিকাত খোদিত কৰা বুলি পণ্ডিতসকলে ঠিৰাং কৰিছে?





(চ) 'ভেজাল' শব্দটো অসমীয়া ভাষালৈ কোনটো ভাৰতীয় ভাষাৰ পৰা আহিছে?

(ছ) 'টাই' ভাষাটো কোনটো ভাষা-পৰিয়ালৰ অন্তৰ্গত?

(জ) অসমীয়া ভাষাৰ লগত সম্পৰ্কযুক্ত নাগালেণ্ডত প্ৰচলিত সংযোগী ভাষাটোক কি নামেৰে জনা যায়?

(ঝ) *Introduction to Prakrit* শীৰ্ষক গ্ৰন্থখনৰ ৰচকৰ নাম লিখা।

(ঞ) 'নেৱাৰি' কোনটো সম্প্ৰদায়ৰ মাতৃভাষা?

২। চমুকৈ উত্তৰ দিয়া : ২×৫=১০

(ক) "অসমীয়া ভাষাটো বিভিন্ন অনা-আৰ্য ভাষাৰ সাগৰৰ মাজত এটা সৰু দ্বীপৰ নিচিনা"—বুলি কোনগৰাকী ভাষাবিদে, কোনখন গ্ৰন্থত উল্লেখ কৰিছে?

(খ) মধ্যভাৰতীয় আৰ্যভাষাৰ সাম্ভাব্য কালসীমা কিমান হিচাপে ধৰা হয়?

(গ) অসমীয়া ভাষাটো কোন দুবিধ প্ৰাকৃতৰ মিশ্ৰণ বুলি কালিৰাম মেধিয়ে মন্তব্য কৰিছে?

(ঘ) চীন-তিব্বতীয় ভাষা-পৰিয়ালৰ প্ৰধান শাখা দুটা কি কি?

(ঙ) কোল-মুণ্ডা ভাষাৰ পৰা অসমীয়া ভাষালৈ অহা দুটা শব্দ উল্লেখ কৰা।





৩। চমু টোকা লিখা (যি কোনো চাৰিটা) : ৫×৪=২০

(ক) মাগধী-প্ৰাকৃত আৰু ইয়াৰ বিভিন্ন স্তৰ

(খ) আৰ্যভিন্ন থলুৱা জনগোষ্ঠী

(গ) সাহিত্যিক প্ৰাকৃত আৰু ইয়াৰ বিভিন্ন প্ৰকাৰ

(ঘ) অসমীয়া ভাষাত দ্ৰাবিড় ভাষা-পৰিয়ালৰ অৱদান

(ঙ) অসমীয়া ভাষাৰ গঠনত তিব্বত-বৰ্মীয় ভাষাৰ প্ৰভাৱ

(চ) সাম্প্ৰতিক অসমীয়া ভাষাত আৰ্যভাষাৰ উপাদান

৪। তলৰ প্ৰশ্নসমূহৰ উত্তৰ দিয়া : ১০×৪=৪০

(ক) উদ্ভৱকালীন অসমীয়া ভাষাৰ স্বৰূপ সম্পৰ্কে চমুকৈ আলোচনা কৰা।

*অথবা*

আৰ্যসকলৰ অসমলৈ প্ৰব্ৰজনৰ ইতিহাস চমুকৈ বৰ্ণনা কৰা।

(খ) অসমীয়া ভাষাত মাগধী-প্ৰাকৃতৰ উপাদান সম্পৰ্কে এক বিশ্লেষণাত্মক আলোচনা যুগুত কৰা।

*অথবা*

অসমীয়া ভাষাৰ গঠনত মাগধী-প্ৰাকৃতৰ বাহিৰে অন্য প্ৰাকৃতৰ প্ৰভাৱ সম্পৰ্কে আলোচনা কৰা।

(গ) অসমীয়া ভাষাৰ সমাহৰণত অষ্ট্ৰিক ভাষাগোষ্ঠীৰ অৱদান সম্পৰ্কে এটি নিবন্ধ প্ৰস্তুত কৰা।





*অথবা*

জনজাতীয় ভাষালৈ অসমীয়া ভাষাৰ অৱদানৰ বিষয়ে উদাহৰণসহ আলোচনা আগবঢ়োৱা।

(ঘ) সাম্প্ৰতিক সময়ত প্ৰচলিত অসমীয়া ভাষাৰ নৃ-গোষ্ঠীয় ৰূপ সম্বন্ধে এটি টোকা লিখা।

*অথবা*

বৰ্তমান সময়ত অসমীয়া ভাষালৈ অহা বিভিন্ন পৰিৱৰ্তনৰ দিশসমূহ সামৰি এটি আলোচনা যুগুত কৰা।

***